NEWZ NOW

সংখ্যা ৩৬ | দেওবাৰ, ২৯ নৱেম্বৰ ২০২৬ | অসমৰ ডিজিটেল বাতৰি কাকত

ৰাজনীতি

'৮৫০খন আসনযুক্ত লোকসভা হ'লে ভাৰতৰ গণতন্ত্ৰ শেষ হৈ যাব', সমষ্টি পুনর্নির্ধাৰণক লৈ ৰাহুল গান্ধীৰ মন্তব্য

সমষ্টি পুনর্নির্ধাৰণৰ জৰিয়তে লোকসভাৰ আসন ৮৫০খনলৈ বৃদ্ধি কৰিলে দেশৰ গণতন্ত্ৰ ধ্বংস হ'ব বুলি সতর্কবাণী শুনাইছে ৰাহুল গান্ধীয়ে।



NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, নিশা ৭:৫৯

চেন্নাই, ২৯ নৱেম্বৰ: প্ৰস্তাৱিত সমষ্টি পুনর্নির্ধাৰণ প্ৰক্ৰিয়াৰ জৰিয়তে লোকসভাৰ আসনৰ সংখ্যা ৮৫০খনলৈ বৃদ্ধি পালে দেশৰ গণতন্ত্ৰ শেষ হৈ যাব বুলি সতর্কবাণী শুনাইছে লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে। ডিএমকেৰ সভাপতি তথা তামিলনাড়ুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনৰ সৈতে এক বৈঠকত মিলিত হোৱাৰ পিছত কংগ্ৰেছ নেতাগৰাকীয়ে এই মন্তব্য কৰে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7759

দেশ

নতুন দিল্লীত সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীৰ সামৰণি: প্ৰধানমন্ত্ৰী মোদীক ৫,০০০ গীতৰ সংগ্ৰহ উপহাৰ



নতুন দিল্লীৰ ভাৰত মণ্ডপমত বর্ণাঢ্য কার্যসূচীৰে অনুষ্ঠিত হয় ভাৰতৰত্ন সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপনৰ সামৰণি অনুষ্ঠান।
পঢ়ক: https://newznow.in/news/7739

ৰাজনীতি

সমষ্টি পুনর্নির্ধাৰণ বিধেয়ক: ৩৭১গৰাকী সাংসদৰ সমর্থন থকাৰ দাবী কেন্দ্ৰীয় চৰকাৰৰ



নতুন দিল্লী, ২৯ নৱেম্বৰ: সমষ্টি পুনর্নির্ধাৰণৰ সৈতে জড়িত সংবিধান সংশোধনী বিধেয়কখন গৃহীত কৰাৰ বাবে লোকসভাৰ ৩৭১গৰাকী সাংসদৰ সমর্থন লাভ কৰা বুলি দাবী কৰিছে কেন্দ্ৰীয় চৰকাৰে।
পঢ়ক: https://newznow.in/news/7705

ৰাজনীতি

ইণ্ডিয়া মিত্ৰজোটৰ আশাত চেঁচা পানী! দলে বলে চেন্নাইলৈ গৈও সৈমান কৰাব নোৱাৰিলে ষ্টেলিনক



চেন্নাই, ২৯ নৱেম্বৰ: সমষ্টি পুনর্নির্ধাৰণ বিধেয়ককৰ লৈ কেন্দ্ৰীয় চৰকাৰৰ পক্ষত থিয় দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে ডিএমকেয়ে।
পঢ়ক: https://newznow.in/news/7729

অসম

সম্পন্ন হ'ল মঙলদৈৰ বহুচর্চিত বিবাহ, ১৩ ডিচেম্বৰত খাৰখোৱা ধাৰাত অভ্যর্থনা



গুৱাহাটী, ২৯ নৱেম্বৰ: অৱশেষত বৈদিক ৰীতি-নীতিৰে সম্পন্ন হ'ল মঙলদৈৰ বহুচর্চিত বিবাহখন।
পঢ়ক: https://newznow.in/news/7693

ভিতৰৰ পাতত

ৰাজনীতি: তামিলনাড়ুৰ মানুহক খ্ৰীষ্টান ধর্মলৈ...

অসম: কাছাৰত নিষিদ্ধ সংগঠন হুজিৰ সন্দেহয...

অসম: স্বায়ত্তশাসিত পৰিষদৰ নির্বাচন: বে...

ৰাজনীতি: বিশেষ সংসদীয় অধিৱেশনৰ পূর্বে বিজে...

ৰাজনীতি

তামিলনাডুৰ মানুহক খ্ৰীষ্টান ধর্মলৈ ধর্মান্তৰিত কৰাৰ লক্ষ্য লৈছে মুখ্যমন্ত্রী চি জোচেফ বিজয়ে: প্রহ্লাদ যোশী

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৫৭



বাৰাণসী, ২৯ নৱেম্বৰ: তামিলনাডুৰ মুখ্যমন্ত্রী চি জোচেফ বিজয়ে ভোটবেংকৰ ৰাজনীতি কৰি মানুহক নিজৰ ধর্মলৈ ধর্মান্তৰিত কৰাৰ লক্ষ্য লৈছে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে কেন্দ্রীয় শিক্ষামন্ত্রী প্রহ্লাদ যোশীয়ে। বাৰাণসীত অনুষ্ঠিত পঞ্চম সংস্কৰণৰ 'কাশী তামিল সংগমম'ৰ সময়ত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কেন্দ্রীয় মন্ত্রীগৰাকীয়ে এই মন্তব্য কৰে।

তিৰুপৰাংকুন্দ্রমক কেন্দ্র কৰি সৃষ্টি হোৱা বিতর্কৰ প্রসংগ উত্থাপন কৰি যোশীয়ে কয় যে বিজয়ে কাশী তামিল সংগমমত অংশগ্রহণৰ আমন্ত্রণ উপেক্ষা কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7524

অসম

স্বায়ত্তশাসিত পৰিষদৰ নির্বাচন: বেলট বাকচ লৈ ভোটকেন্দ্রলৈ ৰাওনা বিষয়া-কর্মচাৰী

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, আবেলি ৬:৩৬



ধেমাজি, ২৯ নৱেম্বৰ: মিচিং স্বায়ত্তশাসিত পৰিষদ আৰু সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নির্বাচনৰ যাৱতীয় প্রস্তুতি ইতিমধ্যে সম্পূর্ণ হৈ উঠিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7709

অসম

কাছাৰত নিষিদ্ধ সংগঠন হুজিৰ সন্দেহযুক্ত সদস্য গ্রেপ্তাৰ: জাল নথি-পত্র জব্দ

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, নিশা ৭:৪৭



শিলচৰ, ২৯ নৱেম্বৰ: বাংলাদেশভিত্তিক নিষিদ্ধ উগ্রপন্থী সংগঠন হৰকত-উল-জিহাদ-আল-ইছলামী (হুজি)-ৰ সৈতে সম্পর্ক থকাৰ সন্দেহত কাছাৰ জিলাৰ পৰা এজন ৫৫ বছৰীয়া লোকক গ্রেপ্তাৰ কৰিছে নিৰাপত্তা বাহিনীয়ে। কাছাৰ আৰক্ষী আৰু অসম ৰাইফলছে এক যৌথ অভিযান চলাই অসম-মণিপুৰ সীমান্তৰতী জিৰিঘাট অঞ্চলৰ পৰা লোকজনক আটক কৰে।

ধৃত লোকজনৰ নাম ছাজিদ ওৰফে ছৈয়দ মিয়া বুলি চিনাক্ত কৰা হৈছে। তেওঁ বাংলাদেশৰ নাৰায়ণগঞ্জৰ বাসিন্দা বুলি জানিব পৰা গৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7747

ৰাজনীতি

বিশেষ সংসদীয় অধিৱেশনৰ পূর্বে বিজেপিৰ সংসদীয় কার্যনির্বাহক সমিতিৰ সৈতে প্রধানমন্ত্রীৰ বৈঠক

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, নিশা ৮:১২



নতুন দিল্লী, ২৯ নৱেম্বৰ: সংসদৰ বিশেষ অধিৱেশন আৰম্ভ হোৱাৰ ঠিক পূর্বে দেওবাৰে বিজেপিৰ সংসদীয় দলৰ কার্যনির্বাহক সমিতিৰ সদস্যসকলৰ সৈতে এক বৈঠকত মিলিত হয় প্রধানমন্ত্রী নৰেন্দ্র মোদী। সোমবাৰৰ পৰা আৰম্ভ হ'বলগীয়া এই বিশেষ অধিৱেশনক লৈ চৰকাৰী পক্ষৰ প্রস্তুতিৰ অংশ হিচাপে এই বৈঠকখন অনুষ্ঠিত হয়।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7767

ৰাজনীতি

বিপদ বাঢ়িল কংগ্রেছৰ! গুৰুত্বপূর্ণ অধিৱেশনৰ পূর্বে ICUত ভর্তি কংগ্রেছ সাংসদ কে. সুধাকৰণ, ষড়যন্ত্রৰ সন্দেহ

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, নিশা ৮:০৭



নতুন দিল্লী, ২৯ নৱেম্বৰ: সংসদৰ এক গুৰুত্বপূর্ণ অধিৱেশনৰ পূর্বে সংযুক্ত আৰৱ আমিৰশ্বাহীৰ এখন চিকিৎসালয়ৰ আই চি ইউত ভর্তি হৈছে কেৰালাৰ কংগ্রেছ সাংসদ কে সুধাকৰণ। ৩০ নৱেম্বৰত লোকসভাত সমষ্টি পুনর্নির্ধাৰণ বিধেয়কখন পুনৰ উত্থাপন হোৱাৰ কথা থকাৰ সময়তে সাংসদগৰাকীৰ স্বাস্থ্য আৰু দিল্লীলৈ উভতি অহাক লৈ অনিশ্চয়তা দেখা দিছে।

চিকিৎসালয় কর্তৃপক্ষই পৰিয়ালৰ লোকক পিতৃৰ সৈতে সাক্ষাৎ কৰিবলৈ দিয়া নাই বুলি অভিযোগ কৰিছে সুধাকৰণৰ পুত্র সঞ্জোগে। সঞ্জোগৰ ভাষ্য অনুসৰি, কে সুধাকৰণে প্রথমে চিকিৎসকৰ সাধাৰণ পৰামর্শ ল'বলৈহে চিকিৎসালয়লৈ গৈছিল।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7763

দেশ

বিজেপি কার্যালয়ত শিলাবর্ষণ আৰু ভাঙি-ছিঙি তাণ্ডৱ, পৰিস্থিতি নিয়ন্ত্রণলৈ আৰক্ষীৰ লাঠীচালনা

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, নিশা ৭:৪৯



পাটনা, ২৯ নৱেম্বৰ: বিহাৰৰ ৰাজধানী পাটনাত বিজেপিৰ ৰাজ্যিক কার্যালয়ৰ সন্মুখত দেওবাৰে এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7755

দেশ

ঊষা মংগেশকাৰক ড০ ভূপেন হাজৰিকা ৰাষ্ট্রীয় বঁটা প্রদান, সন্মান তুলি দিলে প্রধানমন্ত্রীয়ে

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, নিশা ৭:৪০



নতুন দিল্লী, ২৯ নৱেম্বৰ: বিশিষ্ট সংগীতশিল্পী ঊষা মংগেশকাৰক প্রথমটো 'ভাৰতৰত্ন ড০ ভূপেন হাজৰিকা ৰাষ্ট্রীয় বঁটা' প্রদান কৰা হৈছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত ড০ ভূপেন হাজৰিকাৰ জন্ম শতবার্ষিকীৰ সামৰণি অনুষ্ঠানত প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে শিল্পীগৰাকীৰ হাতত এই সন্মান তুলি দিয়ে।

ড০ ভূপেন হাজৰিকাৰ জন্ম শতবার্ষিকী উপলক্ষে অনুষ্ঠিত বছৰজোৰা উদযাপনৰ সামৰণি অনুষ্ঠানত এই বঁটা আগবঢ়োৱা হয়। সংগীত, কলা আৰু ভাৰতীয় চলচ্চিত্র জগতলৈ আগবঢ়োৱা বিশেষ অৱদানৰ স্বীকৃতিস্বৰূপে অসম চৰকাৰে এই ৰাষ্ট্রীয় বঁটা প্রৱর্তন কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7743

অসম

কোভিড প্রতিষেধক আৰু চৰকাৰী হেঁচা সম্পর্কীয় মার্ক জুকাৰবার্গৰ মন্তব্যত এলন মাস্কৰ সমর্থন

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, নিশা ৮:০০



কোভিড-১৯ৰ প্রতিষেধকৰ সম্ভাব্য পার্শ্বক্রিয়া আৰু সামাজিক মাধ্যমত চৰকাৰী হেঁচা প্রয়োগৰ বিষয়টোক লৈ পুনৰ চর্চা আৰম্ভ হৈছে। মেটাৰ মুখ্য কার্যবাহী বিষয়া মার্ক জুকাৰবার্গৰ পূর্বৰ এক মন্তব্যক সমর্থন জনাইছে এক্সৰ স্বত্বাধিকাৰী এলন মাস্কে।

জুকাৰবার্গে পূর্বে এটা সাক্ষাৎকাৰত কোভিড প্রতিষেধকৰ পার্শ্বক্রিয়া আৰু বিষয়বস্তু নিয়ন্ত্রণৰ প্রসংগ উত্থাপন কৰিছিল।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7751

ৰাজনীতি

'বহু সাংসদ কেৱল হাত চাপৰি বজাবলৈহে আহিব', ৮৫০জনীয়া লোকসভাক লৈ শশী থাৰুৰৰ কটাক্ষ

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, আবেলি ৫:০৭



নতুন দিল্লী, ২৯ নৱেম্বৰ: কেন্দ্রীয় চৰকাৰৰ প্ৰস্তাৱিত সমষ্টি পুনৰ্নিৰ্ধাৰণ বিধেয়ক লৈ তীব্ৰ প্ৰশ্ন উত্থাপন কৰিছে কংগ্ৰেছ সাংসদ শশী থাৰুৰে। লোকসভাৰ সদস্যসংখ্যা ৫৪৩ৰ পৰা ৮৫০লৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱক সমালোচনা কৰি তেওঁ কয় যে ইমান বৃহৎ সংখ্যক সদস্যৰে সদনৰ কাম-কাজ ফলপ্ৰসূভাৱে চলিবনে নাই, সেয়া সন্দেহজনক। বৰ্তমান ৫৪০জন সাংসদ থকা অৱস্থাতো লোকসভাৰ কাম-কাজ সুচাৰুৰূপে চলোৱাটো কঠিন হৈ পৰে বুলি তেওঁ সোঁৱৰাই দিয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7665

ক্ৰীড়া

অচিৰেই গেৰুৱা হ'ব পাৰে মহম্মদ ছামী! বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনক সাক্ষাৎ, ৰাজনীতিত যোগদানক লৈ চৰ্চা

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, আবেলি ৪:২২



নতুন দিল্লী, ২৯ নৱেম্বৰ: ভাৰতীয় ক্ৰিকেট দলৰ তাৰকা বলাৰ মহম্মদ ছামীয়ে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনক সাক্ষাৎ কৰাক লৈ ৰাজনৈতিক মহলত তীব্ৰ চৰ্চা আৰম্ভ হৈছে। এই সাক্ষাতৰ পাছতে ক্ৰিকেটাৰগৰাকীয়ে ৰাজনীতিত প্ৰৱেশ কৰিব নেকি, তাক লৈ বিভিন্ন মহলত জল্পনা-কল্পনা চলিছে।

দেওবাৰে প্ৰকাশিত তথ্য অনুসৰি ছামীয়ে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকীক সাক্ষাৎ কৰে। অৱশ্যে এই সাক্ষাতৰ প্ৰকৃত উদ্দেশ্য কি আছিল, সেই বিষয়ে এতিয়ালৈকে কোনো আনুষ্ঠানিক তথ্য পোহৰলৈ অহা নাই।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7647

দেশ

ভাৰত মণ্ডপমত বন্তি প্ৰজ্বলনেৰে সুধাকণ্ঠ ভূপেন হাজৰিকালৈ শ্ৰদ্ধাঞ্জলি

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, আবেলি ৪:৫২



নতুন দিল্লী: সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ সামৰণী অনুষ্ঠানক লৈ উখল-মাখল হৈ পৰিছে দেশৰ ৰাজধানী নতুন দিল্লী। মহান শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদনৰ বাবে নতুন দিল্লীৰ ভাৰত মণ্ডপমত সম্পূৰ্ণ হৈছে বিশেষ আয়োজন।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7651

ৰাজনীতি

সমষ্টি পুনৰ্নিৰ্ধাৰণ: বাজপেয়ী চৰকাৰে নতুন লোকপিয়লৈ বাট চাইছিল, মোদী চৰকাৰে ২০১১ৰ তথ্যৰেই কৰিব সমষ্টি পুনৰ্নিৰ্ধাৰণ

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, আবেলি ৪:১৪



নতুন দিল্লী, ২৯ নৱেম্বৰঃ ভাৰতৰ নিৰ্বাচনী মানচিত্ৰ পুনৰ নিৰ্ধাৰণক লৈ কেন্দ্রীয় চৰকাৰৰ শেহতীয়া পদক্ষেপে পুনৰ চৰ্চালৈ আনিছে পূৰ্বৰ NDA চৰকাৰৰ এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7642

অসম

ৰাজপথত অকলশৰীয়া মহিলাক ধৰ্ষণৰ অপচেষ্টা; ২৪ ঘন্টাৰ ভিতৰত মন্দিৰা আৰক্ষীৰ জালত অভিযুক্ত।

মীৰ মুছাৰোফ হুছাইন | ২৯ নৱেম্বৰ ২০২৬, আবেলি ৪:০৫



২৯ নৱেম্বৰ , ২০২৬

ৰাজপথত অকলশৰীয়া মহিলাক ধৰ্ষণৰ অপচেষ্টা; ২৪ ঘন্টাৰ ভিতৰত মন্দিৰা আৰক্ষীৰ জালত অভিযুক্ত।

দক্ষিণ কামৰূপৰ ছমৰীয়াৰ ১ নং মালিবাৰীত এগৰাকী অকলশৰীয়া মহিলাক ৰাজপথত ধৰ্ষণৰ অপচেষ্টা চলোৱা ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। এই জঘন্য ঘটনা সন্দৰ্ভত ভুক্তভোগী মহিলাগৰাকীয়ে ন্যায় বিচাৰি আৰক্ষীৰ কাষ চপাৰ পাছতেই মন্দিৰা আৰক্ষীয়ে তৎপৰতাৰে অভিযান চলাই ২৪ ঘন্টাৰ ভিতৰত এজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7611

ৰাজনীতি

মহিলা সংৰক্ষণ 'সময়ৰ দাবী': ৰাজনৈতিক বিৰোধিতাই নাৰী শক্তিৰ অগ্ৰগতি ৰোধ কৰিব নোৱাৰে বুলি মন্তব্য প্ৰধানমন্ত্ৰী মোদীৰ

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫৩



নতুন দিল্লী, ২৯ নৱেম্বৰ: সংসদৰ বিশেষ অধিৱেশন আৰম্ভ হোৱাৰ পূৰ্বে মহিলা সংৰক্ষণৰ বিষয়টোক পুনৰ গুৰুত্ব প্ৰদান কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7635

ৰাজনীতি

সমষ্টি পুনর্নির্ধাৰণ বিধেয়ক গৃহীত হ'লে নির্বাচনৰ জৰিয়তে বিজেপিক পৰাস্ত কৰা কঠিন হ'ব: সৌৰভ দাস

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৪৯



নতুন দিল্লী, ২৯ নৱেম্বৰ: কেন্দ্ৰীয় চৰকাৰৰ প্ৰস্তাৱিত সমষ্টি পুনর্নির্ধাৰণ বিধেয়কখনক তীব্ৰ বিৰোধিতা কৰিছে ককৰোচ জনতা পার্টি (চিজেপি)-ৰ সহ-আহ্বায়ক তথা অনুসন্ধানমূলক সাংবাদিক সৌৰভ দাসে। দেওবাৰে নতুন দিল্লীৰ প্ৰেছ ক্লাব অৰ ইণ্ডিয়াত সম্বোধন কৰা এক সংবাদমেলত তেওঁ সকীয়াই দিয়ে যে বিধেয়কখন সংসদত গৃহীত হ'লে ভৱিষ্যতে নির্বাচনৰ জৰিয়তে বিজেপিক ক্ষমতাৰ পৰা আঁতৰোৱাটো অত্যন্ত কঠিন হৈ পৰিব পাৰে।

সংবাদমেলত অভিযোগ উত্থাপন কৰি দাসে কয় যে কেন্দ্ৰীয় চৰকাৰে প্ৰথমে ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধন (এছআইআৰ)-ৰ জৰিয়তে ভোটাৰৰ নাম কর্তন কৰিছে আৰু এতিয়া সমষ্টি পুনর্নির্ধাৰণৰ জৰিয়তে নির্বাচনী সমীকৰণ সলনি কৰাৰ চেষ্টা চলাইছে। পৰৱর্তী সময়ত 'এক দেশ, এক নির্বাচন' ব্যৱস্থা কার্যকৰী হ'লে দেশৰ গণতান্ত্রিক ব্যৱস্থাৰ ওপৰত ইয়াৰ গভীৰ প্ৰভাৱ পৰিব পাৰে বুলিও তেওঁ মন্তব্য কৰে।

দাসে কয় যে প্ৰতিগৰাকী ভোটাৰৰ মূল্য সমান। কিন্তু এছআইআৰ, সমষ্টি পুনর্নির্ধাৰণ আৰু এক দেশ, এক নির্বাচন একেলগে কার্যকৰী কৰিলে শাসকীয় দলক নির্বাচনত পৰাজিত কৰাটো কঠিন হৈ পৰিব পাৰে, যিটো ভাৰতীয় গণতন্ত্রৰ বাবে এক গুৰুতৰ সংকট।

চিজেপিয়ে বিধেয়কখনৰ সম্পূৰ্ণ বিৰোধিতা কৰা বুলি উল্লেখ কৰি নেতাগৰাকীয়ে দাবী কৰে যে সমষ্টি পুনর্নির্ধাৰণৰ জৰিয়তে এনেদৰে সীমা নির্ধাৰণ কৰাৰ সম্ভাৱনা আছে, যাৰ ফলত বিজেপি লাভৱান হ'ব। ইয়াৰ উপৰি সমষ্টি পুনর্নির্ধাৰণ আয়োগৰ ক্ষমতা আৰু সিদ্ধান্তৰ বিৰুদ্ধে ন্যায়ালয়ৰ দ্বাৰস্থ হোৱাৰ সুযোগ সীমিত হোৱাক লৈও তেওঁ উদ্বেগ প্ৰকাশ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7631

ৰাজনীতি

ৰাহুলেৰে নহৈছে, ফিল্ডত নামিল ছোনিয়া-খার্গে! ষ্টেলিনক সাক্ষাৎ কৰিবলৈ চেন্নাইত উপস্থিত

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৪১



নতুন দিল্লী, ২৯ নৱেম্বৰ: সমষ্টি পুনর্নির্ধাৰণ আৰু মহিলা সংৰক্ষণ সম্পৰ্কীয় কেন্দ্ৰীয় চৰকাৰৰ প্ৰস্তাৱিত বিধেয়ক কেন্দ্ৰ কৰি দেশৰ ৰাজনৈতিক মহলত তৎপৰতা বৃদ্ধি পাইছে। সংসদৰ বিশেষ অধিৱেশন আৰম্ভ হোৱাৰ ঠিক এদিন পূৰ্বে বিৰোধী 'ইণ্ডিয়া' মিত্ৰজোঁটৰ নেতাসকলে আভ্যন্তৰীণ মতভেদ দূৰ কৰাৰ চেষ্টা চলাইছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7619

উত্তৰ-পূৰ্বাঞ্চল

দিবাং উপত্যকাত খুৰা-মুখৰ ৰোগত ২৬০ৰো অধিক মিথুনৰ মৃত্যু: প্ৰতিৰোধৰ বাবে ব্যাপক সজাগতা অভিযান

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২৫



আনিনি, ২৯ নৱেম্বৰঃ অৰুণাচল প্ৰদেশৰ দিবাং উপত্যকা জিলাত খুৰা-মুখৰ ৰোগৰ সংক্ৰমণত চলিত বৰ্ষত ২৬০ৰো অধিক মিথুনৰ মৃত্যু হৈছে। ৰোগৰ সংক্ৰমণ জিলাখনৰ নিম্ন অঞ্চললৈ বিয়পি পৰাৰ আশংকাত পশুধনৰ সুৰক্ষাৰ বাবে ভাৰতীয় কৃষি গৱেষণা পৰিষদ (আইচিএআৰ) আৰু পশুপালন বিভাগে ব্যাপক সজাগতা অভিযান আৰম্ভ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7599

ত্ৰিপুৰা

ত্ৰিপুৰা সীমান্তত বাংলাদেশী নাগৰিকসহ পাঁচজনক গ্ৰেপ্তাৰ

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২৩



আগৰতলা, ২৯ নৱেম্বৰ: ত্ৰিপুৰাৰ ভাৰত-বাংলাদেশ সীমান্তত নিৰাপত্তা বাহিনীয়ে অভিযান চলাই এজন বাংলাদেশী নাগৰিকৰ লগতে আন চাৰিজন লোকক গ্ৰেপ্তাৰ কৰিছে। ধৃত চাৰিজন ভাৰতীয় নাগৰিকৰ বিৰুদ্ধে অবৈধভাৱে সীমান্ত পাৰাপাৰত সহায় কৰাৰ অভিযোগ উত্থাপিত হৈছে। বিষয়াসকলে জনোৱা অনুসৰি, ২৮ নৱেম্বৰত ত্ৰিপুৰাৰ উনচি নগৰ সীমান্ত অঞ্চলত এই অভিযান চলোৱা হয়। গ্ৰেপ্তাৰ হোৱা বাংলাদেশী নাগৰিকজন বাংলাদেশৰ কিশোৰগঞ্জ জিলাৰ বাসিন্দা বুলি চিনাক্ত কৰা হৈছে। অভিযানকালত নিৰাপত্তা বাহিনীয়ে এখন বগা ৰঙৰ বাহনো জব্দ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7601

দেশ

লোকসভা আসন বৃদ্ধি আৰু মহিলা সংৰক্ষণ বিধেয়কত ডিএমকে, এনচিপিৰ সমর্থনৰ ইংগিত: সংসদৰ বিশেষ বৈঠকৰ পূৰ্বে আসন সলনি

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১০



লোকসভাৰ সমষ্টি পুনৰ নির্ধাৰণ আৰু আসন বৃদ্ধিৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে আনিবলগীয়া সংবিধান সংশোধনী বিধেয়কক লৈ বিৰোধী শিবিৰত স্পষ্ট বিভাজন দেখা গৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7587

উত্তৰ-পূৰ্বাঞ্চল

শ্বিলঙৰ ১৯ আগষ্টৰ হিংসাত্মক ঘটনাৰ তদন্তক লৈ মেঘালয় উচ্চ ন্যায়ালয়ৰ অসন্তুষ্টি, মাত্ৰ ৭জন অভিযুক্তক গ্ৰেপ্তাৰ কৰাক লৈ প্ৰশ্ন

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৪০



শ্বিলং, ২৯ নৱেম্বৰ: শ্বিলঙত যোৱা ১৯ আগষ্টত এক সমদলক কেন্দ্ৰ কৰি সংঘটিত হিংসাত্মক ঘটনাৰ তদন্ত প্ৰক্ৰিয়াত একাধিক আসোঁৱাহ থকা বুলি অসন্তুষ্টি প্ৰকাশ কৰিছে মেঘালয় উচ্চ ন্যায়ালয়ে। ঘটনাৰ লগত জড়িত অধিকাংশ লোকক চিনাক্ত নকৰা, চিচিটিভি ফুটেজ সংগ্ৰহত পলম কৰা আৰু মাত্ৰ সাতজন অভিযুক্তক গ্ৰেপ্তাৰ কৰাক লৈ আৰক্ষীৰ ভূমিকাৰ ওপৰত প্ৰশ্ন তুলিছে আদালতে। ২৬ নৱেম্বৰত মুখ্য ন্যায়াধীশ ৰেৱতী মোহিতে ডেৰে আৰু ন্যায়াধীশ ডব্লিউ ডিয়েংডোহৰ দ্বৈত বিচাৰপীঠে দুখনকৈ জনস্বাৰ্থজড়িত আবেদনৰ শুনানি গ্ৰহণ কৰি এই অসন্তুষ্টি ব্যক্ত কৰে।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7583

উত্তৰ-পূৰ্বাঞ্চল

শ্বিলং ৰোপৱে' প্ৰকল্পৰ সমৰ্থনত ৫ ডিচেম্বৰত স্থানীয় লোকৰ অৱস্থান ধৰ্মঘট

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৩২



শ্বিলং, ২৯ নৱেম্বৰ: মেঘালয়ৰ প্ৰস্তাৱিত শ্বিলং ভিউপইণ্ট ৰোপৱে' প্ৰকল্পক লৈ প্ৰতিবাদ অব্যাহত থকাৰ মাজতে এইবাৰ প্ৰকল্পটোৰ সমৰ্থনত ৰাজপথলৈ ওলাই অহাৰ সিদ্ধান্ত লৈছে একাংশ স্থানীয় বাসিন্দাই।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7567

অসম

গুৱাহাটীৰ জয়নগৰত পথ দুৰ্ঘটনা: ট্ৰাকৰ খুন্দাত থিতাতে নিহত খাদ্য ডেলিভাৰী কৰ্মী

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৩১



গুৱাহাটী, ২৯ নৱেম্বৰ: মহানগৰীৰ জয়নগৰত সংঘটিত এক শোকাৱহ পথ দুৰ্ঘটনাত এজন যুৱকৰ থিতাতে মৃত্যু হয়। এখন তীব্ৰবেগী ট্ৰাকে মটৰচাইকেলত খুন্দা মৰাৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়।

২৮ নৱেম্বৰ, শনিবাৰে ছয়মাইল-বেলতলা সংযোগী পথত এই ঘটনা ঘটে। প্ৰত্যক্ষদৰ্শীৰ মতে, যুৱকজনে ছয়মাইলৰ পৰা বেলতলাৰ দিশে মটৰচাইকেল চলাই গৈ থকাৰ সময়তে বশিষ্ঠৰ ফালৰ পৰা অহা এখন ট্ৰাকে তেওঁক প্ৰচণ্ড জোৰে খুন্দা মাৰে। ট্ৰাকখন কিছু সময়ৰ পূৰ্বে ভাৰতীয় খাদ্য নিগমৰ (এফচিআই) চৌহদৰ পৰা ওলাই আহিছিল বুলি স্থানীয় লোকে প্ৰকাশ কৰে।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7562

দেশ

ঝাৰখণ্ডৰ ৰামগড়ত শোকাৱহ পথ দুৰ্ঘটনা: একেটা পৰিয়ালৰ ৪টা শিশুকে ধৰি ১৩ জনৰ মৃত্যু

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:০৩



ৰাঁচী, ২৯ নৱেম্বৰ: ঝাৰখণ্ডৰ ৰামগড় জিলাত দেওবাৰে পুৱতি নিশা সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত একেটা পৰিয়ালৰ চাৰিটা শিশুকে ধৰি মুঠ ১৩ জন লোকৰ মৃত্যু ঘটে।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7530

ত্রিপুৰা

ত্রিপুৰাত সাতটা ভোটগণনা কেন্দ্রত ভোটগণনা বর্জনৰ সিদ্ধান্ত CPI(M)-ৰ, নির্বাচনী অনিয়মৰ অভিযোগ

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২৯



আগৰতলা, ২৯ নৱেম্বৰ: ত্রিপুৰাৰ শেহতীয়া পৌৰ নির্বাচনত ব্যাপক অনিয়ম, ভোটাৰক ভয়-ভাবুকি প্রদান আৰু প্রশাসনৰ পক্ষপাতিত্বৰ অভিযোগ তুলি ৰাজ্যখনৰ সাতটা ভোটগণনা কেন্দ্রত ভোটগণনা প্রক্রিয়া বর্জন কৰাৰ সিদ্ধান্ত লৈছে চিপিআই(এম)এ। দেওবাৰে দলটোৰ ৰাজ্যিক সম্পাদক তথা বিৰোধী দলপতি জিতেন্দ্র চৌধুৰীয়ে এই সিদ্ধান্তৰ কথা সদৰী কৰে। জিতেন্দ্র চৌধুৰীয়ে অভিযোগ কৰা অনুসৰি, যোৱা ২৭ নৱেম্বৰত অনুষ্ঠিত ভোটগ্রহণৰ সময়ত বিৰোধী দলৰ প্রার্থী, নির্বাচনী এজেণ্ট আৰু সাধাৰণ ভোটাৰক আক্রমণ কৰা হৈছিল।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7557

ৰাজনীতি

১৪০সংখ্যক 'মন কী বাত'ত কি কি ক'লে প্রধানমন্ত্রী মোদীয়ে ?

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২৪



নতুন দিল্লী, ২৯ নৱেম্বৰ: প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে দেওবাৰে তেওঁৰ মাহেকীয়া ৰেডিঅ' অনুষ্ঠান 'মন কী বাত'ৰ ১৪০সংখ্যক খণ্ডত চাইবাৰ প্ররঞ্চনা, ডিজিটেল সাক্ষৰতা, কৃত্রিম বুদ্ধিমত্তা আৰু যুৱ প্রজন্মৰ মাজত নিচাসক্তি প্রতিৰোধকে ধৰি কেইবাটাও গুৰুত্বপূর্ণ বিষয় উত্থাপন কৰে। অনুষ্ঠানটোত তেওঁ চৰকাৰৰ 'সঞ্চাৰ সাথী' মঞ্চৰ সফলতাৰ বিষয়ে উল্লেখ কৰি কয় যে এই ব্যৱস্থাৰ জৰিয়তে সম্ভাব্য চাইবাৰ প্ররঞ্চনাৰ ফলত হ'ব পৰা ৫,০০০ কোটি টকাতকৈ অধিক লোকচান ৰোধ কৰা হৈছে। প্রধানমন্ত্রীগৰাকীয়ে কয় যে বর্তমান সময়ত মোবাইল ফোন কেৱল যোগাযোগৰ মাধ্যম হৈ থকা নাই।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7550

উত্তৰ-পূর্বাঞ্চল

মণিপুৰত হাজাৰ হাজাৰ গৃহহীন মেইটেইৰ প্রতিবাদ, পুনৰ সংস্থাপনৰ দাবী

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২৬



ইম্ফল, ২৯ নৱেম্বৰ: তিনি বছৰতকৈও অধিক কাল সাহায্য শিবিৰত আশ্রয় লৈ থকাৰ পাছত নিজৰ গাঁৱলৈ নিৰাপদে উভতি যোৱাৰ দাবীত দেওবাৰে মণিপুৰত হাজাৰ হাজাৰ আশ্রয়হীন মেইটেই লোক ৰাজপথলৈ ওলাই আহে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7554

ৰাজনীতি

সমষ্টি পুনর্নির্ধাৰণ বিধেয়ক: 'কৰদাতাৰ ধনেৰে ৰাজনীতিকৰ ব্যয় বৃদ্ধি':অভিজিৎ ডিপকেৰ সমালোচনা

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২২



নতুন দিল্লী, ২৯ নৱেম্বৰ: কেন্দ্রীয় চৰকাৰৰ প্রস্তাৱিত সমষ্টি পুনর্নির্ধাৰণ বিধেয়কক লৈ প্রশ্ন উত্থাপন কৰিছে ককৰোচ জনতা পার্টী চমুকৈ চিজেপিৰ প্রতিষ্ঠাপক অভিজিৎ ডিপকেই।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7547

আন্তঃৰাষ্ট্ৰীয়

কর্মস্থলীত ধর্মীয় প্রতীক পৰিধানৰ নিষেধাজ্ঞা: উচ্চতম ন্যায়ালয়ৰ ৰায়ক লৈ বিতর্ক কানাডাত

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:০১



অটোৱা, ২৯ নৱেম্বৰ: কানাডাৰ কুইবেক প্রদেশত শিক্ষক, আৰক্ষীকে ধৰি চৰকাৰী খণ্ডৰ কিছুসংখ্যক কর্মচাৰীয়ে কর্মস্থলীত ধর্মীয় প্রতীক পৰিধান কৰাত আৰোপ কৰা নিষেধাজ্ঞা বাহাল ৰাখিছে দেশখনৰ সর্বোচ্চ ন্যায়ালয়ে। শুকুৰবাৰে প্রদান কৰা এক গুৰুত্বপূর্ণ ৰায়ত ন্যায়ালয়ে ২০১৯ চনত কুইবেক চৰকাৰে গৃহীত কৰা 'বিল ২১'ৰ বৈধতা বাহাল ৰাখে। এই সিদ্ধান্তক লৈ শিখ আৰু মুছলমান সংগঠনসমূহে তীব্র অসন্তুষ্টি প্রকাশ কৰিছে। ইংলিছ মন্ট্রিয়েল স্কুল ব'র্ডে দাখিল কৰা এক গোচৰৰ ভিত্তিত বিষয়টো সর্বোচ্চ ন্যায়ালয়ৰ দৃষ্টিগোচৰ হৈছিল।

বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:

https://newznow.in/news/7537

ৰাজনীতি

সমষ্টি পুনর্নির্ধাৰণ বিধেয়ককে লৈ খৰখেদা নকৰে বিজু জনতা দলে, সিদ্ধান্ত ল'ব নবীন পাটনায়কে

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৫৭



ভুৱনেশ্বৰ, ২৮ নৱেম্বৰ: কেন্দ্রীয় চৰকাৰৰ প্রস্তাৱিত সমষ্টি পুনর্নির্ধাৰণ বিধেয়কক লৈ এতিয়াই কোনো চূড়ান্ত সিদ্ধান্ত গ্রহণ নকৰে বিজু জনতা দল চমুকৈ বিজেডিয়ে।

বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:

https://newznow.in/news/7527

ৰাজনীতি

সমষ্টি পুনর্নির্ধাৰণ বিধেয়কৰ বিৰুদ্ধে ভোট দিবলৈ সমাজবাদী পার্টীৰ তিনিশাৰীৰ হুইপ জাৰি

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৫৫



নতুন দিল্লী, ২৯ নৱেম্বৰ: কেন্দ্রীয় চৰকাৰৰ প্রস্তাৱিত সমষ্টি পুনর্নির্ধাৰণ বিধেয়কৰ বিৰুদ্ধে সংসদত ভোটদান কৰিবলৈ সমাজবাদী পার্টীয়ে দলৰ লোকসভাৰ সাংসদসকলক নির্দেশ দিছে। সংসদৰ আগন্তুক বিশেষ অধিৱেশনত দলৰ সকলো সাংসদৰ উপস্থিতি বাধ্যতামূলক কৰাৰ লগতে বিধেয়কসমূহৰ বিৰোধিতা কৰিবলৈ দলটোৱে তিনিশাৰীৰ হুইপ জাৰি কৰিছে। ২৮ নৱেম্বৰত সমাজবাদী পার্টীৰ মুখ্য হুইপ তথা সাংসদ ধর্মেন্দ্র যাদৱে এই নির্দেশনা জাৰি কৰে।

বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:

https://newznow.in/news/7520

ৰাজনীতি

সমষ্টি পুনর্নির্ধাৰণ বিধেয়ক: বিৰোধী ঐক্য অটুট ৰখাৰ লক্ষ্যৰে ষ্টেলিন আৰু পাৰাৰক সাক্ষাৎ কৰিব 'ইণ্ডিয়া' মিত্রজোঁটে

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৫২



নতুন দিল্লী, ২৯ নৱেম্বৰ: কেন্দ্রীয় চৰকাৰৰ প্রস্তাৱিত সমষ্টি পুনর্নির্ধাৰণ বিধেয়কক লৈ 'ইণ্ডিয়া' মিত্রজোঁটৰ ভিতৰচৰাত সৃষ্টি হোৱা মতভেদ দূৰ কৰাৰ বাবে তৎপৰ হৈ পৰিছে কংগ্রেছ।

বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:

https://newznow.in/news/7518

ৰাজনীতি

ষ্টেলিনক 'ভাই' বুলি সম্বোধন কৰি সমষ্টি পুনর্নির্ধাৰণক বিৰোধিতা কৰিবলৈ আহ্বান ৰাহুল গান্ধীৰ

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৪৮



নতুন দিল্লী, ২৯ নৱেম্বৰ: লোকসভাৰ আসনৰ সংখ্যা ৮৫০খনলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱক লৈ বিৰোধী ঐক্য শক্তিশালী কৰাৰ অংশ হিচাপে ডিএমকেৰ সভাপতি এম কে ষ্টেলিনক বিধেয়কখনৰ বিৰোধিতা কৰিবলৈ আহ্বান জনাইছে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে। ষ্টেলিনক 'ভাই' বুলি সম্বোধন কৰি এই আহ্বান জনায় নেতাগৰাকীয়ে। ইয়াৰ প্ৰত্যুত্তৰত ষ্টেলিনে কয় যে তামিলনাড়ু আৰু তামিল জনসাধাৰণৰ স্বাৰ্থৰ ক্ষেত্ৰত তেওঁৰ দলে কোনো ধৰণৰ আপোচ নকৰে।

চেন্নাই ভ্ৰমণৰ পূৰ্বে সামাজিক মাধ্যম 'এক্স'ৰ এক পোষ্টত ৰাহুল গান্ধীয়ে উল্লেখ কৰে যে 'ইণ্ডিয়া' মিত্ৰজোঁটৰ জ্যেষ্ঠ নেতাসকলৰ সৈতে তেওঁ ষ্টেলিনক সাক্ষ...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7514

ৰাজনীতি

তৃণমূল পৰ্যায়লৈ সুশাসনৰ সুফল লৈ যোৱাৰ বাবে দলীয় নেতাক আহ্বান প্ৰধানমন্ত্ৰী মোদীৰ

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৪৩



নতুন দিল্লী, ২৯ নৱেম্বৰ: সুশাসনৰ সুফল সমাজৰ তৃণমূল পৰ্যায়ৰ লোকসকলৰ ওচৰলৈ লৈ যোৱাৰ লগতে সাধাৰণ জনতাৰ সৈতে দলৰ সম্পৰ্ক অধিক সুদৃঢ় কৰিবলৈ দলীয় নেতা-কৰ্মীসকলক আহ্বান জনাইছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7507

ৰাজনীতি

লোকসভাত ৯৭ গৰাকী সাংসদৰ আসন সালসলনি, অমিত শ্বাহক সাক্ষাৎ ডিএমকে আৰু ৰাইএছআৰচিপিৰ প্ৰতিনিধিৰ

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৪৬



নতুন দিল্লী, ২৮ নৱেম্বৰ: সমষ্টি পুনর্নির্ধাৰণৰ সৈতে জড়িত মহিলা সংৰক্ষণ বিধেয়ক সন্দৰ্ভত সংসদত হ'বলগীয়া আলোচনাৰ পূৰ্বে লোকসভাত বহাৰ ব্যৱস্থাত ব্যাপক সালসলনি কৰা হৈছে। সদনত মুঠ ৯৭ গৰাকী সাংসদৰ আসন সলনি কৰা হৈছে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই এই সিদ্ধান্ত গ্ৰহণ কৰে। নতুন ব্যৱস্থা অনুসৰি ডিএমকেৰ ২২ গৰাকী আৰু এনচিপি (এছপি)ৰ ৮ গৰাকী সাংসদৰ আসন সলনি কৰা হৈছে। বাকী সালসলনিসমূহ এই ব্যৱস্থাৰ সৈতে জড়িত আন আসনসমূহৰ অংশ হিচাপে কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7510

অসম

কেৱল অনুষ্ঠান পাতিলেই ভূপেন হাজৰিকাক প্ৰকৃত সন্মান জনোৱা নহয়: অখিল গগৈ

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:০৫



গুৱাহাটী, ১ ডিচেম্বৰ: ভাৰতৰত্ন ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সামৰণি অনুষ্ঠান নতুন দিল্লীত আয়োজন কৰাৰ বাবে অসম চৰকাৰক আদৰণি জনায় শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7499

অসম

কোকৰাঝাৰত একেলগে চাৰিটা সন্তান জন্ম দিলে এগৰাকী মহিলাই

NewzNow জিলা ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৪৭



কোকৰাঝাৰ জিলাৰ ৰয়নাডাব্রি অঞ্চলৰ শলমাৰি গাঁৱত এগৰাকী মহিলাই একেলগে চাৰিটা সন্তান জন্ম দিয়াৰ ঘটনাই অঞ্চলটোত চর্চা লাভ কৰিছে। সফল প্রসৱৰ পাছত চিকিৎসকৰ পৰামর্শ অনুসৰি মাতৃ আৰু চাৰিওটি নৱজাতকক অধিক পৰীক্ষা-নিৰীক্ষা আৰু উন্নত চিকিৎসাৰ বাবে কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়লৈ স্থানান্তৰ কৰা হৈছে। জিলা স্বাস্থ্য বিভাগৰ সূত্রে জানিব পৰা মতে, শলমাৰি মালিগাঁৱৰ বাসিন্দা চমেৰ আলীৰ পত্নী চাইনা খাতুনে এই চাৰিটা সন্তান জন্ম দিয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7466

অসম

চিৰাঙত ১১ ডিচেম্বৰৰ পৰা ডুইজিং উৎসৱ: উপস্থিত থাকিব বলীউডৰ তাৰকা

NewzNow জিলা ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৪৩



চিৰাং, ২৫ নৱেম্বৰ: দীর্ঘদিনীয়া বিৰতিৰ অন্তত চিৰাং জিলাত পুনৰ অনুষ্ঠিত হ'বলৈ গৈ আছে ডুইজিং উৎসৱ। ২০২৬ বর্ষৰ এই বর্ণিল উৎসৱ অহা ১১ ডিচেম্বৰৰ পৰা ২২ ডিচেম্বৰলৈ মুঠ ১২ দিনীয়া কার্যসূচীৰে অনুষ্ঠিত হ'ব।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7464

অসম

ছমৰীয়া আৰু মন্দিৰাত গৰু সৰবৰাহকাৰীৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান: বাহনসহ ১১টাকৈ গৰু জব্দ, আটক চালক

মীৰ মুছাৰোফ হুছাইন | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৪০



কামৰূপ জিলাত চোৰাং গৰু সৰবৰাহৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান তীব্রতৰ কৰি তুলিছে। যোৱা নিশা ছমৰীয়া আৰু মন্দিৰা আৰক্ষীয়ে পৃথকে পৃথকে চলোৱা অভিযানত মুঠ ১১টা গৰু জব্দ কৰিবলৈ সক্ষম হয়। ইয়াৰ ভিতৰত এখন বাহন জব্দ কৰাৰ লগতে এজন গাড়ী চালককো আটক কৰিছে ছমৰীয়া আৰক্ষীয়ে।

আৰক্ষী সূত্রে জানিব পৰা মতে, এক গোপন খবৰৰ ভিত্তিত যোৱা নিশা ছমৰীয়া আৰক্ষীয়ে চোৰাং গৰু সৰবৰাহৰ বিৰুদ্ধে অভিযান চলায়। অভিযানৰ সময়ত সৰবৰাহ কৰি থকা অৱস্থাত ৭টা গৰু উদ্ধাৰ কৰা হয়। লগতে গৰু কঢ়িয়াই নিয়া AS 01 NC 4128 নম্বৰৰ বাহনখন জব্দ কৰে আৰক্ষীয়ে। বাহনখনৰ চালকজনকো আটক কৰি নিজৰ জিম্মাত লয় অভিযানকাৰী দলটোৱে।

ইফালে, একে নিশাই মন্দিৰা আৰক্ষীয়েও চোৰাং গৰু সৰবৰাহৰ বিৰুদ্ধে পৃথক অভিযান চলায়। এই অভিযানত আন ৪টা গৰু জব্দ কৰিবলৈ সক্ষম হয় আৰক্ষী। দুয়োটা অভিযান মিলাই আৰক্ষীয়ে মুঠ ১১টা গৰু জব্দ কৰিছে।

বর্তমান জব্দ কৰা গৰু কেইটা ছমৰীয়া আৰু মন্দিৰা আৰক্ষীৰ জিম্মাত ৰখা হৈছে। এই অবৈধ সৰবৰাহৰ সৈতে জড়িত আন লোকসকলক চিনাক্ত কৰি কৰায়ত্ত কৰাৰ বাবে আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। অৱশ্যে গৰু সৰবৰাহৰ আঁৰত থকা চক্রটোৰ আন সদস্যৰ পৰিচয় আৰু সৰবৰাহৰ গন্তব্যস্থান সম্পর্কে এই পর্যন্ত কোনো তথ্য প্রকাশ কৰা হোৱা নাই।

সম্পূর্ণ খবৰ:
https://newznow.in/news/7418

অসম

মৈৰাবাৰীৰ ৱেল্ডিং ৱৰ্কশ্বপত ৫৫ হাজাৰ টকাৰ বিদ্যুৎ বিল!

নাছিদুৱ ৰহমান | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৩৮



মৰিগাঁও: মাত্ৰ চাৰি মাহৰ বিদ্যুৎ বিল ৫৫ হাজাৰ টকা অহাক কেন্দ্ৰ কৰি লাহৰীঘাট বিদ্যুৎ বিভাগৰ বিৰুদ্ধে গাফিলতিৰ অভিযোগ উত্থাপন হৈছে। মৈৰাবাৰীৰ ইব্ৰাহিম আলীৰ 'পৰদেশী ৱেল্ডিং ৱৰ্কশ্বপ' নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানখনলৈ অহা এই বৃহৎ পৰিমাণৰ বিদ্যুৎ বিলক লৈ সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ।

গ্ৰাহক ইব্ৰাহিম আলীৰ অভিযোগ অনুসৰি, তেওঁৰ ৱেল্ডিং ৱৰ্কশ্বপখনৰ বাবে মাত্ৰ চাৰি মাহৰ ভিতৰতে ৫৫ হাজাৰ টকাৰ বিদ্যুৎ বিল প্ৰেৰণ কৰা হৈছে। সাধাৰণতে ব্যৱহাৰ হোৱা বিদ্যুতৰ পৰিমাণৰ তুলনাত এই বিল কিয় ইমান বেছি হ'ল, তাক লৈ তেওঁ প্ৰশ্ন উত্থাপন কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7410

দেশ

সোণৰ মূল্য হ্ৰাসৰ প্ৰভাৱ: দেশৰ বৈদেশিক মুদ্ৰাৰ ভঁৰাল ১৬ সপ্তাহৰ সৰ্বনিম্ন স্তৰলৈ অৱনমিত

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৪৭



সোণৰ আন্তঃৰাষ্ট্ৰীয় বজাৰত দেখা দিয়া মূল্য হ্ৰাসৰ তীব্ৰ প্ৰভাৱ দেশৰ অৰ্থনীতিত পৰিছে। যাৰ ফলস্বৰূপে ভাৰতৰ বৈদেশিক মুদ্ৰাৰ ভঁৰাল ১৬ সপ্তাহৰ সৰ্বনিম্ন স্তৰলৈ নামি আহিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7503

অসম

শিৱসাগৰ বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত সপোন দেখিবলৈ আৰম্ভ কৰা এজাক শিশু, কিশোৰ কিশোৰীৰ শাৰীৰিক, মানসিক দক্ষতা বৃদ্ধিৰ সুন্দৰ প্ৰয়াস।

মোস্তাক আহমেদ | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:১২



শিৱসাগৰ: যুৱ প্ৰজন্মক নিচাযুক্ত দ্ৰব্যৰ আসক্তিৰ পৰা আঁতৰাই শাৰীৰিক আৰু মানসিকভাৱে শক্তিশালী কৰি তোলাৰ লগতে আৰক্ষী, ভাৰতীয় সেনা আৰু চি আৰ পি এফৰ দৰে বাহিনীত নিযুক্তিৰ বাবে প্ৰস্তুত কৰাৰ উদ্দেশ্যে শিৱসাগৰৰ বেতবাৰীত গ্ৰহণ কৰা হৈছে এক প্ৰশংসনীয় পদক্ষেপ। বেতবাৰী নাগৰিক মঞ্চৰ উদ্যোগত আৰু জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাপৰি চেতিয়াৰ তত্ত্বাৱধানত আৰম্ভ হৈছে এই বিশেষ প্ৰশিক্ষণ কাৰ্যসূচী।

এই কাৰ্যসূচীৰ অধীনত দেৱগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীৰ পৰা আমন্ত্ৰণ কৰি অনা বিশেষ প্ৰশিক্ষকৰ জৰিয়তে যুৱক-যুৱতীসকলক দৌৰ, জাম্পকে ধৰি বিভিন্ন শাৰীৰিক অনুশীলনৰ প্ৰশিক্ষণ দিয়া হৈছে। আগন্তুক দিনত আৰক্ষী, ভাৰতীয় সেনা, চি আৰ পি এফ আদি বাহিনীৰ নিযুক্তি পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ প্ৰাৰ্থীসকলক প্ৰয়োজনীয় শাৰীৰিক সক্ষমতা গঢ়ি তোলাত এই প্ৰশিক্ষণে সহায় কৰিব বুলি আশা কৰা হৈছে।

কেৱল শাৰীৰিক প্ৰশিক্ষণতে সীমাবদ্ধ নাথাকি নিযুক্তি পৰীক্ষাৰ লিখিত অংশৰ বাবেও প্ৰশিক্ষণ দিয়াৰ পৰিকল্পনা কৰা হৈছে। ইয়াৰ জৰিয়তে যুৱক-যুৱতীসকলক নিয়োগৰ বাবে অধিক প্ৰস্তুত কৰি তোলাৰ লক্ষ্য লোৱা হৈছে।

আনহাতে, যুৱ প্ৰজন্মক নিচাযুক্ত দ্ৰব্যৰ পৰা আঁতৰাই সুস্থ জীৱনশৈলী আৰু শৃংখলাবদ্ধতাৰ প্ৰতি উৎসাহিত কৰাও এই পদক্ষেপৰ অন্যতম উদ্দেশ্য। বেতবাৰী নাগৰিক মঞ্চ আৰু জিলা আৰক্ষী অধীক্ষকৰ এই উদ্যোগক আদৰণি জনাইছে অঞ্চলটোৰ সচেতন ৰাইজে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7414

অসম

বকোত কয়লাভর্তি অভাৰল'ডেড ট্রাকৰ দৌৰাত্ম্যক লৈ স্থানীয় ৰাইজৰ তীব্র ক্ষোভ

NewzNow জিলা ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:০৬



কামৰূপ জিলাৰ বকো-ছয়গাঁও বিধানসভা সমষ্টিৰ অন্তর্গত হাহিম-বকো পথত প্রতিদিনে চলি থকা শ শ কয়লাভর্তি অভাৰল'ডেড ট্রাকৰ দৌৰাত্ম্যক লৈ স্থানীয় ৰাইজৰ মাজত তীব্র ক্ষোভৰ সৃষ্টি হৈছে। মেঘালয়ৰ বিভিন্ন প্রান্তৰ পৰা নিয়ম উলংঘা কৰি অহা এই ট্রাকসমূহৰ বাবে পথচাৰী আৰু যাত্রীসকলৰ নিৰাপত্তা গুৰুতৰ ভাবুকিৰ সম্মুখীন হৈছে বুলি অভিযোগ উঠিছে।

স্থানীয় ৰাইজে বকো-ছয়গাঁৱৰ বিধায়ক ৰাজীৱ মেছৰ ভূমিকাক লৈয়ো প্রশ্ন উত্থাপন কৰিছে।

বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:

https://newznow.in/news/7425

অসম

বদরপুৰ ৰে'ল ষ্টেচনত মহিলা সৰবৰাহৰ পৰিকল্পনা বিফল কৰিলে আৰক্ষীয়ে

আজহাৰ উদ্দিন | ২৯ নৱেম্বৰ ২০২৬, পুৱা ৯:৫৩



মিজোৰামৰ দুই নাবালিকা আৰু এগৰাকী যুৱতীক সৰবৰাহৰ অভিযোগত এজন যুৱক আটক, ঘটনাক কেন্দ্র কৰি নতুনকৈ উত্থাপন হৈছে বিভিন্ন প্রশ্ন। বদৰপুৰ ৰে'ল ষ্টেচনত মহিলা সৰবৰাহৰ অভিযোগত এক বৃহৎ চক্রৰ পৰিকল্পনা বিফল কৰিলে আৰক্ষীয়ে।

বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:

https://newznow.in/news/7396

অসম

তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ত প্রসূতিক প্রহাৰ কৰাৰ ঘটনাকলৈ তীব্র চাঞ্চল্য সৃষ্টি ।

ৰাতুল ডেকা | ২৯ নৱেম্বৰ ২০২৬, পুৱা ৯:৫২



তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ত প্রসূতিক প্রহাৰ কৰাৰ ঘটনাকলৈ তীব্র চাঞ্চল্য সৃষ্টি ।

মাকুম,২৯ নৱেম্বৰ : বিতর্কই যেন লগ নেৰা হৈছে মাকুমস্থিত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়। নিশা পুনৰ চিকিৎসা মহাবিদ্যালয় খনত এগৰাকী প্রসূতিক নার্চে প্রহাৰ কৰাৰ ঘটনাক কেন্দ্র কৰি এক হুলস্থুলীয়া পৰিৱেশ সৃষ্টি হয়। বৃষ্টিনা বৰা নামৰ এগৰাকী নার্চে প্রসূতি গৰাকীক প্রহাৰ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হয়।

বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:

https://newznow.in/news/7406

অসম

মৈৰাবাৰীৰ পৰা সন্ধানহীন ১১ বছৰীয়া শিশু শ্বাকিবুৰ ৰহমান, সন্ধান বিচাৰি পৰিয়ালৰ আহ্বান

নাছিদুৰ ৰহমান | ২৯ নৱেম্বৰ ২০২৬, নিশা ৭:০৪



মৰিগাঁও, ২৯ নৱেম্বৰঃ মৰিগাঁও জিলাৰ মৈৰাবাৰীৰ পৰা সন্ধানহীন হৈছে এগৰাকী ১১ বছৰীয়া শিশু। শনিবাৰে নিশাৰ পৰা সন্ধানহীন হৈ আছে মৈৰাবাৰীৰ ৬নং ৱার্ডৰ বাসিন্দা জছুম উদ্দিনৰ পুত্র শ্বাকিবুৰ ৰহমান।

পৰিয়ালৰ সূত্রে জানিব পৰা মতে, শনিবাৰে নিশা শিশুগৰাকী ঘৰৰ পৰা ওলাই যোৱাৰ পিছৰে পৰা তেওঁৰ কোনো সন্ধান লাভ কৰা নাই।

বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:

https://newznow.in/news/7721

অসম

মিচিং স্পৰ্টছ কাৰ্নিভেলত দুৰ্নীতিৰ অভিযোগ নস্যাৎ টিএমপিকেৰ সভাপতি তিলক দলেৰ

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, আবেলি ৬:৪২



মিচিং স্বায়ত্তশাসিত পৰিষদৰ ৩৮ টা পৰিষদীয় সমষ্টিত সোমবাৰে অনুষ্ঠিত হ'বলগীয়া ভোটগ্ৰহণৰ প্ৰাকক্ষণত মিচিং স্পৰ্টছ কাৰ্নিভেলক লৈ উত্থাপিত দুৰ্নীতিৰ অভিযোগ নস্যাৎ কৰিছে টাকাম মিচিং পৰিণ কৌবাং চমুকৈ টিএমপিকিয়ে। পৰিষদৰ উন্নয়নমূলক আঁচনি আৰু স্পৰ্টছ কাৰ্নিভেলৰ নামত পুঁজিৰ অপব্যৱহাৰ হোৱা বুলি ওলোৱা অভিযোগ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে সংগঠনটোৰ সভাপতি তিলক দলেয়ে।

টিএমপিকেৰ সভাপতিগৰাকীয়ে স্পষ্ট কৰি দিয়ে যে এটা বৃহৎ অনুষ্ঠান আয়োজন কৰিলে খাদ্য যোগান ধৰাটো স্বাভাৱিক আৰু বাধ্যতামূলক। কিন্তু তাকেই দুৰ্নীতি বুলি কোৱা কথাটো কোনোপধ্যেই গ্ৰহণযোগ্য নহয় বুলি তেওঁ অসন্তোষ প্ৰকাশ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7713

অসম

ৰুকাচেন মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ লংকেশ্বৰ হাইনাৰীলৈ সন্মানীয় ডক্টৰেট বঁটা প্ৰদান।

খগেশ্বৰ দাস | ২৯ নৱেম্বৰ ২০২৬, আবেলি ৬:১৮



হাওৰাঘাট ২৯ নবেম্বৰঃ কাৰ্বি পাহাৰৰ বুকুত জ্ঞানৰ আলোকেৰে সমাজখনক উদ্ভাসিত কৰা এগৰাকী নিষ্ঠাৱান শিক্ষাবিদৰ শিৰত আজি এক বিৰল সন্মানৰ মুকুট পিন্ধোৱা হয়। বকলীয়াঘাটস্থিত ৰুকাচেন মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ লংকেশ্বৰ হাইনাৰীক 'এছিয়া বুক অৱ ৰেকৰ্ড ফাউণ্ডেশ্যন' (Asia Book of Record Foundation)-ৰ উদ্যোগত আৰু 'লুইজিয়ানা ৰিচাৰ্চ ইউনিভাৰ্চিটি'ৰ (Louisiana Research University) তৰফৰ পৰা সন্মানীয় ডক্টৰেট (Honorary Doctorate) উপাধিৰে বিভূষিত কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7661

অসম

বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাংগাপানীৰ ইছমাইল হুছেইন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৪৭ সংখ্যক বিদ্যালয় সপ্তাহৰ সফল সামৰণি।

মীৰ মুছাৰোফ হুছাইন | ২৯ নৱেম্বৰ ২০২৬, আবেলি ৬:২০



দক্ষিণ কামৰূপৰ ছমৰীয়া খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত ৰাংগাপানীৰ ইছমাইল হুছেইন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত ৪৭ সংখ্যক বিদ্যালয় সপ্তাহৰ যোৱা নিশা সফলতাৰে সামৰণি পৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7669

অসম

'ডবল বিয়া'ৰ অভিনয়ৰ বাবে অসমত ৰাজপাল যাদৱ,জুবিন গাৰ্গৰ সমাধিস্থলীত শ্ৰদ্ধাঞ্জলি

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, আবেলি ৬:১৫



বলীউডৰ জনপ্ৰিয় অভিনেতা ৰাজপাল যাদৱে অসমত উপস্থিত হৈ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ শেষ শয়নস্থলীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। জুবিন গাৰ্গৰ সৃষ্টি আৰু প্ৰতিভাক স্মৰণ কৰি অভিনেতাগৰাকীয়ে কয় যে তেওঁৰ কৰ্মই তেওঁক সদায় অমৰ কৰি ৰাখিব।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7697

অসম

সৰলাৰসুঁতিত ভূমি বিবাদক কেন্দ্ৰ কৰি প্ৰচণ্ড মাৰপিট পুৰুষ-মহিলসহ প্ৰা ২০ জন আহতঃ এজনক সংকটজনক অৱস্থাত GMCH লৈ প্ৰেৰণ

মীৰ মুছাৰোফ হুছাইন | ২৯ নৱেম্বৰ ২০২৬, আবেলি ৬:১৪



দক্ষিণ কামৰূপৰ ছমৰীয়া সমষ্টিৰ সৰলাৰসুঁতি চৰত ভয়ংকৰ মাৰপিটৰ ঘটনা। চৰ অঞ্চলৰ ভুমি বেদখল কৰাকলৈ দুটা ফৈদৰ মাজত সংঘটিত হৈছে মাৰপিটৰ ঘটনা।

মাৰপিটৰ ঘটনাত দুটা ফৈদৰ ২০ জনতকৈ অধিক লোক গুৰুতৰভাৱে আহত হব লগা হৈছে। ইয়াৰে এজনক অতি সংকটজনক অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা বুলি চিকিৎসকে জানিবলৈ দিছে।

ঘটনাৰ বিবৰনী মতে সৰলাসুঁতি চৰৰ লালচান আলী আৰু ছফিকুল ইছলামৰ পক্ষৰ মাজত দীৰ্ঘদিন ধৰি সৰলাসুঁতি চৰৰ ভূমিকলৈ সংঘাত চলি আছিল। আজি দুপৰীয়া সেই সংঘাতে চূৰান্ত ৰূপ ধাৰন কৰে আৰু দুটা পক্ষৰ মাজত সূত্ৰপাত হয় ভয়ংকৰ মাৰপিট। ইয়াৰ পিছতেই জোৰশিমুলী আৰক্ষী আৰু গৰেমাৰী আৰক্ষীয়ে ঘটনাৰ তদন্ত সাপেক্ষে কেবাজনো লোকক তদন্তৰ বাবে আটক কৰিছে। এই মাৰপিটত গুৰুতৰভাৱে আহত হোৱা ছফিকুল ইছলামক গৰেমাৰী সামূহিক স্বাস্থ্য কেন্দ্ৰত প্ৰাথমিক চিকিৎসাৰ অন্তত GMCH লৈ প্ৰেৰণ কৰে।

অভিযোগ অনুসৰি লালচান আলীৰ পক্ষই ছফিকুল ইছলামৰ পক্ষক মাৰপিট কৰিবলৈ পৰিকল্পিতভাৱে চোকা অস্ত্ৰ সু-সজ্জিত কৰি ৰাখি ছফিকুল ইছলামৰ পক্ষক ভয়ংকৰভাৱে আক্ৰমণ চলোৱাৰ পিছত বিবাদী পক্ষই প্ৰত্যাক্ৰমণ চলাইছিল। ঘটনা সন্দৰ্ভত গৰেমাৰী আৰক্ষীয়ে আৰম্ভ কৰিছে তদন্ত।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7674

অসম

যোৰহাটৰ অনিমেষ ভূঞা হত্যাকাণ্ডৰ পাঁচ বছৰ সম্পূৰ্ণ

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, আবেলি ৫:৫৫



যোৰহাট, ২৯ নৱেম্বৰ:

২০২১ চনৰ ২৯ নৱেম্বৰত যোৰহাট চহৰৰ মাজমজিয়াত সংঘটিত ছাত্ৰ নেতা অনিমেষ ভূঞাৰ নৃশংস হত্যাকাণ্ডই আজি পাঁচটা বছৰ গৰকিলে। যোৰহাট চহৰৰ নিৰ্মল চাৰিআলিত সংঘটিত এই বৰ্বৰ গণপ্ৰহাৰৰ ঘটনাটোৱে সমগ্ৰ অসমবাসীক জোকাৰি গৈছিল।

মানৱতাৰ খাতিৰত পথ দুৰ্ঘটনাত পতিত এজন লোকক সহায় কৰিবলৈ আগবাঢ়ি যাওঁতেই সৃষ্টি হোৱা ভুল বুজাবুজিৰ বাবে এদল উন্মত্ত লোকে অনিমেষ ভূঞাক গণপ্ৰহাৰ চলাই হত্যা কৰাৰ লগতে তেওঁৰ দুই সতীর্থ মৃদুস্মন্ত বৰুৱা আৰু প্ৰণয় দত্তক গুৰুতৰভাৱে আহত কৰিছিল।

এই মৰ্মান্তিক ঘটনাৰ পাছতে আৰক্ষীয়ে ক্ষিপ্ৰ ব্যৱস্থা গ্ৰহণ কৰি মুঠ ১৫ জন লোকক গ্ৰেপ্তাৰ কৰে। ঘটনা সংঘটিত হোৱাৰ মাত্ৰ ৫০ দিনৰ ভিতৰতে আৰক্ষীয়ে ১৪ জন অভিযুক্তৰ বিৰুদ্ধে আদালতত এখন বিশদ চাৰ্জশ্বীট দাখিল কৰিছিল।

হত্যাকাণ্ডৰ মূল অভিযুক্ত নীৰজ দাস ওৰফে 'ক'লা ল'ৰা'ই ২০২১ চনৰ ১ ডিচেম্বৰত আৰক্ষীৰ জিম্মাৰ পৰা পলায়নৰ চেষ্টা চলাইছিল। সেই সময়তে এক পথ দুৰ্ঘটনাত পতিত হৈ তেওঁ নিহত হয়।

আনহাতে, ২০২২ চনৰ এপ্ৰিল মাহৰ পৰা যোৰহাটৰ সত্ৰ ন্যায়াধীশৰ আদালতত এই গোচৰটোৰ বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হয়। ইয়াৰ পৰৱৰ্তী সময়ত ২০২৪ চনৰ ফেব্ৰুৱাৰী মাহত গুৱাহাটী উচ্চ ন্যায়ালয়ে এই গোচৰৰ কেইবাজনো অভিযুক্তক জামিন প্ৰদান কৰে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7685

দেশ

উপাধ্যক্ষ পদৰ পৰা পদত্যাগ কৰাৰ প্ৰশ্নই নুঠে: ডাঃ হাবে টেৰণ

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, আবেলি ৪:০৮



২৯ নৱেম্বৰ , ২০২৬

'মই উপাধ্যক্ষ পদৰ পৰা কিয় পদত্যাগ কৰিম?' 'মহিলাগৰাকীৰে মোৰ কোনো সম্পৰ্ক নাই'

'সকলো ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত'। উপাধ্যক্ষ ডাঃ হাবে টেৰণে নস্যাৎ কৰিলে মহিলাগৰাকীৰ অভিযোগ।

অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ হাবে টেৰণৰ বিৰুদ্ধে এগৰাকী মহিলাই উত্থাপন কৰা ব্যক্তিগত সম্পৰ্ক আৰু প্ৰতাৰণাৰ অভিযোগক লৈ ৰাজ্যৰ ৰাজনীতিত তীব্ৰ চৰ্চা অব্যাহত আছে। এই সন্দৰ্ভত সংবাদ মাধ্যমৰ সন্মুখত নিজৰ স্থিতি স্পষ্ট কৰি উপাধ্যক্ষগৰাকীয়ে উত্থাপিত সকলো অভিযোগ সম্পূৰ্ণ মিছা বুলি দাবী কৰে। লগতে তেওঁ উপাধ্যক্ষ পদৰ পৰা পদত্যাগ কৰাৰ কোনো প্ৰশ্নই নুঠে বুলিও স্পষ্ট কৰি দিয়ে।

সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত ডাঃ টেৰণে মহিলাগৰাকীৰ সৈতে কোনো প্ৰেম বা ব্যক্তিগত সম্পৰ্ক থকাৰ কথা পোনছাটেই অস্বীকাৰ কৰে। তেওঁ কয়, "মহিলাগৰাকীৰ সৈতে মোৰ কোনো সম্পৰ্ক নাই। এইবোৰ সম্পূৰ্ণ মিছা অভিযোগ।" বহু বছৰ পুৰণি এটা বিষয়ক লৈ এতিয়া উত্থাপন কৰা এই অভিযোগসমূহ ৰাজনৈতিকভাৱে প্ৰেৰিত বুলিও তেওঁ মন্তব্য কৰে।

বিভিন্ন বিৰোধী দল আৰু সংগঠনে উপাধ্যক্ষ পদৰ পৰা তেওঁৰ পদত্যাগ দাবী কৰা সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত ডাঃ টেৰণে ওলোটাই প্ৰশ্ন কৰে, "মই উপাধ্যক্ষ পদৰ পৰা কিয় পদত্যাগ কৰিম?" নিজৰ বিৰুদ্ধে অনা অভিযোগসমূহ ভিত্তিহীন বুলি উল্লেখ কৰি তেওঁ পদত্যাগৰ সম্ভাৱনা সম্পূৰ্ণৰূপে নাকচ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7639

অসম

আছুৱে চান্দা লয় আৰু ল'বই: সভাপতি উৎপল শৰ্মাৰ স্পষ্ট মন্তব্য

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, আবেলি ৫:৪১



গুৱাহাটী:

আছুৱে চান্দা লয়, আছুৱে চান্দা লোৱাতো লুকুৱাবলগীয়া কথা নহয়।ৰাজনৈতিক দলৰ চান্দা তৰমুজৰ নিচিনা,আমাৰ চান্দা বাদাম গুটি বা বাকলিহে মাথো।

সদৌ অসম ছাত্ৰ সস্থাই (আছু) চান্দা সংগ্ৰহ কৰে আৰু এই কথা লুকুৱাই ৰখাৰ কোনো প্ৰয়োজন নাই বুলি স্পষ্ট কৰি দিছে সংগঠনটোৰ সভাপতি উৎপল শৰ্মাই। সংগঠন পৰিচালনা আৰু ৰাজহুৱা কাম-কাজৰ বাবে দান-বৰঙণিৰ প্ৰয়োজন হয় বুলি তেওঁ মন্তব্য কৰে।

২৯ নৱেম্বৰত সাংবাদিকৰ আগত উৎপল শৰ্মাই কয় যে আছু এটা ৰাজহুৱা সংগঠন। সাংগঠনিক কাম-কাজ পৰিচালনা কৰাৰ লগতে বিভিন্ন ৰাজহুৱা কাম সম্পন্ন কৰিবলৈ পুঁজিৰ প্ৰয়োজন হয় আৰু এই পুঁজি দান-বৰঙণি তথা চান্দাৰ পৰাই সংগ্ৰহ কৰা হয়।

ৰাজনৈতিক দল আৰু অৰাজনৈতিক সংগঠনৰ পুঁজি সংগ্ৰহৰ মাজত তুলনা কৰি আছুৰ সভাপতিগৰাকীয়ে কয় যে ৰাজনৈতিক দলসমূহে উদ্যোগপতি, পুঁজিপতি আৰু ব্যৱসায়িক গোষ্ঠীৰ পৰা সংগ্ৰহ কৰা ধনৰ পৰিমাণৰ তুলনাত জাতীয় সংগঠনসমূহৰ বৰঙণি তেনেই নগণ্য। ৰাজনৈতিক দলৰ চান্দা যদি 'তৰমুজ'ৰ দৰে হয়, তেন্তে আছুৰ দৰে অৰাজনৈতিক সংগঠনৰ চান্দা 'বাদাম গুটি'ৰ নিচিনা বুলি তেওঁ উল্লেখ কৰে।

বিত্তীয় স্বচ্ছতাৰ প্ৰসংগত উৎপল শৰ্মাই সংগঠনটোৰ সংবিধানৰ ব্যৱস্থাৰ কথা উল্লেখ কৰে। তেওঁ জনায় যে আছুৰ অধিৱেশন আৰু সাধাৰণ সভাত বিত্তীয় প্ৰতিবেদন দাখিল কৰিব লাগে। বিত্ত সম্পাদকৰ দায়িত্বত থকা ব্যক্তিয়ে দাখিল কৰা হিচাপ কেন্দ্ৰীয় সমিতিৰ বাহিৰৰ ব্যক্তিৰ দ্বাৰাও পৰীক্ষা কৰোৱা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7681

অসম

বান সাহায্য প্রদানৰ বিধায়ক অখিল গগৈৰ নাম ব্যৱহাৰেৰে ধন সংগ্রহ অসাধু চক্রৰ।

মোস্তাক আহমেদ | ২৯ নৱেম্বৰ ২০২৬, আবেলি ৪:১২



Sivasagar Breaking DATE 29/11/2026

অন কেমেৰা ফোনযোগে বান সাহায্য প্রদানৰ প্রতিশ্রুতি অসাধু চক্রৰ।

ফোনযোগে যোগাযোগ কৰাত ব্যক্তিজনৰ নাম গৌতম দাস বুলি জানিবলৈ দিয়ে।

বান সাহায্য প্রদানৰ নামত প্রতিজন লোকৰ পৰা ১৫০০ ৰ পৰা দুইহাজাৰ টকালৈকে ধন সংগ্রহ চক্রটোৰ।

আনহাতে বানপীড়িতৰ ব্যক্তিজনে সংগ্রহ কৰিছে তথ্যপাতি।

বিধায়ক অখিল গগৈৰ নির্দেশনাত বানপীড়িতক পাঁচহাজাৰ টকাকৈ সাহায্য প্রদানৰ বাবে কাগজ পত্র সংগ্রহ কৰি থকা বুলি উল্লেখ কৰে ব্যক্তিজনে।

আনহাতে মৌলানা বদৰুদ্দিন আজমলৰ নামো ব্যবহাৰ কৰে গৌতম দাস নামৰ ব্যক্তিজনে।

অসাধু চক্রটোৰ বিৰুদ্ধে শিৱসাগৰ সদৰ আৰক্ষী থানাত এজাহাৰ দাখিল ৰাইজৰ দলৰ।

শীঘ্রেই এই চক্রটোৰ বিৰুদ্ধে শিৱসাগৰ আৰক্ষীক ব্যবস্থা গ্রহণৰ আহ্বান ৰাইজৰ দলৰ।

সম্পূর্ণ খবৰ:
https://newznow.in/news/7607

অসম

শিৱসাগৰ নগৰৰ বাবুপট্টিস্থিত ৰাইজৰ দলৰ জিলা কার্য্যালয়ত ৰাইজৰ দলৰ মুখপাত্র সন্দীপ গগৈৰ সংবাদমেল সম্বোধন

মোস্তাক আহমেদ | ২৯ নৱেম্বৰ ২০২৬, আবেলি ৪:০৪



SIVASAGAR ASSAM DATE//29/11/2026

১৯ জুলাইৰ প্রলয়ংকাৰী বানত সর্বশ্রান্ত হোৱা বানাক্রান্ত ৰাইজ বর্তমানেও চৰকাৰী সাহায্যৰ বঞ্চিত হোৱা প্রসংগত সংবাদমেল আয়োজন।

বান দুর্যোগৰ চাৰিটা মাহ অতিক্রম কৰাৰ পাছতো চৰকাৰে কিয় বানাক্রান্তক বান সাহায্য প্রদান কৰিব পৰা নাই বুলি প্রশ্ন ৰাইজৰ দলৰ।

মুখ্যমন্ত্রীয়ে পূজাৰ সময়তে বান সাহায্য লাভ কৰিব বুলি প্রতিশ্রুতি প্রদান কৰাৰ পাছতো আজি পর্য্যন্ত কিয় বান সাহায্য লাভ কৰিবলৈ সক্ষম হোৱা নাই বুলি প্রশ্ন উত্থাপন ৰাইজৰ দলৰ।

মুখ্যমন্ত্রীয়ে গুৱাহাটীত কোটি কোটি টকা খৰচ কৰি বৃহৎ বৃহৎ কনচার্ট আয়োজন কৰিছে কিন্তু বানপীড়িতক ক্ষতিপূৰণ দিবলৈ চৰকাৰৰ ওচৰত ধন নাই।

মুখ্যমন্ত্রীৰ সাহায্য পুঁজিৰ প্রকৃততে কত খৰচ কৰিলে বুলি মুখ্যমন্ত্রীলৈ প্রশ্ন ৰাইজৰ দলৰ।

প্রকৃত বানাক্রান্তই ক্ষতিপূৰণ লাভৰ বাবে ৰাইজৰ দলে বহু প্রতিবাদী কার্য্যসূচী হাতত ললে আৰু ইয়াৰ বিপৰীতে জিলা প্রশাসনে শীঘ্রেই ক্ষতিপূৰণ প্রদানৰ আশ্বাস দিয়াৰ পাছতো বানাক্রান্তই বর্তমানলৈকে ক্ষতিপূৰণ লাভ নাই বুলি অভিযোগ ৰাইজৰ দলৰ।

মুখ্যমন্ত্রীয়ে আগবেলা এটা কথা কয় আৰু পাচবেলা এটা কথা কয়।

বানাক্রান্তৰ পৰিৱর্তে শাসকীয় দলৰ একাংশ পালিনেতাৰ নাম ক্ষতিপূৰণৰ তালিকাত সোমোৱাৰ অভিযোগ ৰাইজৰ দলৰ।

জিলা প্রশাসনক দহদিনৰ সময়সীমা বান্ধি দিলে ৰাইজৰ দলে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/7624

মনোৰঞ্জন

'জুবিনক দেশৰ সকলো মানুহে ভাল পায়, ময়ো এগৰাকী জুবিনপ্ৰেমী' - ৰাজপাল যাদৱ

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৪২



গুৱাহাটী, ২৯ নৱেম্বৰ:

'জুবিনক দেশৰ সকলো মানুহে ভালপায়, ময়ো এগৰাকী জুবিনপ্ৰেমী, জুবিন গাৰ্গ প্ৰতিভাৰ এটা ভঁৰাল'।

প্ৰয়াত শিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাৰে সোঁৱৰিলে বলীউডৰ জনপ্ৰিয় অভিনেতা ৰাজপাল যাদৱে। অসমত উপস্থিত হৈ অভিনেতাগৰাকীয়ে কয়, "জুবিন গাৰ্গ প্ৰতিভাৰ এক ভঁৰাল আছিল আৰু সমগ্ৰ দেশৰ মানুহে তেওঁক ভাল পায়। ময়ো এগৰাকী জুবিনপ্ৰেমী।"

২৯ নৱেম্বৰত গুৱাহাটীত উপস্থিত হৈ সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত অভিনেতাগৰাকীয়ে কয় যে জুবিন গাৰ্গৰ প্ৰতিভাৰ বিষয়ে যিমানেই কোৱা যায়, সিমানেই কম হ'ব।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7612

অসম

ৰাজ্যিক মুৱাই থাইত সোণৰ পদক লাভ সোণাপুৰৰ জয়শ্ৰী বড়োৰ

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১৭



২৩ সংখ্যক সদৌ অসম ৰাজ্যিক মুৱাই থাই চেম্পিয়নশ্বিপত সোণৰ পদক অৰ্জন কৰি সোণাপুৰলৈ গৌৰৱ কঢ়িয়াই আনিছে প্ৰতিভাৱান খেলু�ৰে জয়শ্ৰী বড়োৱে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7595

অসম

ৰৱমাৰ ৰাস মহোৎসৱত কৰ্তব্যৰত দুই আৰক্ষীক আক্ৰমণৰ অভিযোগ, গ্ৰেপ্তাৰ ৩ অভিযুক্ত

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:০৬



২৯ নৱেম্বৰৰ , ২০২৬ ৰৱমা:

ৰৱমাৰ ৰাস মহোৎসৱত কৰ্তব্যৰত দুই আৰক্ষীক আক্ৰমণৰ অভিযোগ, গ্ৰেপ্তাৰ ৩ অভিযুক্ত ।

বাক্সা জিলাৰ ৰৱমাত অনুষ্ঠিত তৃতীয় বাৰ্ষিক বৃহত্তৰ ৰাস মহোৎসৱস্থলীত কৰ্তব্যৰত দুই আৰক্ষী কৰ্মীক প্ৰহাৰ কৰাৰ অভিযোগত আৰক্ষীয়ে তিনিজন লোকক গ্ৰেপ্তাৰ কৰিছে ৰৱমা আৰক্ষীয়ে। এই ঘটনাত দুই আৰক্ষী কৰ্মী আহত হয়।

মহোৎসৱস্থলীৰ মূল প্ৰৱেশদ্বাৰৰ সমীপত নিশা প্ৰায় ১২ বজাত এই ঘটনা সংঘটিত হয়। প্ৰাথমিক তথ্য অনুসৰি, মহোৎসৱস্থলীত নিৰাপত্তাৰ দায়িত্বত নিয়োজিত দুই আৰক্ষী কৰ্মীৰ সৈতে তিনিজন লোকৰ প্ৰথমে কথাৰ কটাকটি হয়। পৰৱৰ্তী সময়ত এই বাক-বিতণ্ডাই মাৰপিট আৰু হতাহতিলৈ ৰূপ লয়।

আক্ৰমণৰ ঘটনাত তপন দাওধাৰা আৰু ধ্ৰুৱজিত ৰয় নামৰ কৰ্তব্যৰত আৰক্ষী জোৱান দুগৰাকী আহত হয়। ঘটনাৰ পিছতে দুয়োগৰাকী আৰক্ষী কৰ্মীক ততাতৈয়াকৈ ৰৱমা চিকিৎসালয়লৈ লৈ যোৱা হয় আৰু তাত তেওঁলোকক প্ৰাথমিক চিকিৎসা প্ৰদান কৰা হয়।

ঘটনাৰ পাছতে ৰৱমা আৰক্ষীয়ে অভিযান চলাই তিনিওজন অভিযুক্তক গ্ৰেপ্তাৰ কৰি নিজৰ জিম্মাত লয়। গ্ৰেপ্তাৰ হোৱা লোককেইজন হৈছে ৰৱমাৰ ব্যৱসায়ী তথা ৰাস পৰিচালনা সমিতিৰ সহকাৰী সম্পাদক উৎপল মেধি, ৰঙিয়াৰ ব্যৱসায়ী ৰিংকু কলিতা আৰু অধিবক্তা অচ্যুত কলিতা।

ইপিনে ঘটনা সন্দৰ্ভত স্থানীয় বিভিন্ন সংগঠনে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7591

অসম

টিৰাপ সংৰক্ষিত বনাঞ্চলত পহু মাৰি দুই ব্যক্তি বন বিভাগৰ জালত। পলাতক তিনি অভিযুক্ত।

শ্যাম যাদৱ | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৫৩



জাগুন, ২৯ নৱেম্বৰ:-- ডিগবৈ প্ৰাধিকাৰী বন সংমণ্ডলৰ অধীনস্থ লেখাপানী বনাঞ্চলিক বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত টিৰাপ সংৰক্ষিত বনাঞ্চলত পহু মাৰি দুই ব্যক্তি লেখাপানী বন কৰ্মীৰ হাতত আটক। আটকাধিন ব্যক্তি দুজন ক্ৰমে কৰম মণ্ডল আৰু বিশাল বাউৰি বুলি বন বিভাগৰ লোকে জানিবলৈ দিয়ে।

প্ৰাপ্ত তথ্য অনুসৰি শুক্ৰবাৰ দিনা ধৃত এই দুই ব্যক্তিৰ হৈতে আৰু তিনিজন লোক, মুঠ পাঁচজন লোকে টিৰাপ সংৰক্ষিত বনাঞ্চলত প্ৰৱেশ কৰে। পৰৱৰ্তি সময়ত লোক কেইজনে বনাঞ্চলৰ ভিতৰত পহু মাৰি বনাঞ্চলখনৰ ভিতৰতে কাটি ভাগ কৰি ঘৰমুৱা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7541

দেশ

সংসদৰ চাৰিদিনীয়া বিশেষ অধিৱেশন: উত্থাপন হ'ব সমষ্টি পুনৰ নিৰ্ধাৰণ বিধেয়ক

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৪১



২৯ নৱেম্বৰ, ২০২৬

কাইলৈ লোকসভাৰ বিশেষ অধিৱেশন। উত্থাপন হ'ব সমষ্টি পুনৰ নিৰ্ধাৰণ (Delimitation) বিধেয়ক। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে বিধেয়কত দিলে অনুমোদন।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7495

অসম

যোৰহাটত ২০২৬ত কেনেকৈ খহিল গৌৰৱ গগৈৰ ভোটৰ ভেটি? ২০২৪ত কংগ্ৰেছক আগবঢ়াই ৰখা ৫৫টা ভোটকেন্দ্ৰৰ অকথিত কাহিনী

NewzNow ডেস্ক | ২৯ নৱেম্বৰ ২০২৬, নিশা ৮:২০



যোৰহাটৰ নিৰ্বাচনী ফলাফল ইতিমধ্যে স্পষ্ট। বিজেপিৰ হিতেন্দ্ৰ নাথ গোস্বামীয়ে ২৩,১৮২টা ভোটৰ ব্যৱধানত কংগ্ৰেছৰ গৌৰৱ গগৈক পৰাস্ত কৰিলে। কিন্তু এই ফলাফলৰ আঁৰৰ কাহিনী কেৱল সামগ্ৰিক ভোটৰ সংখ্যা বা জয়-পৰাজয়ৰ ব্যৱধানত সীমাবদ্ধ নহয়। ভোটকেন্দ্ৰভিত্তিক তথ্যই দেখুৱাইছে, যোৰহাটৰ নিৰ্বাচনী ছবিখন কেনেকৈ সলনি হ'ল আৰু সেই পৰিৱৰ্তনৰ এটা গুৰুত্বপূৰ্ণ অংশ কোনবোৰ অঞ্চলত দেখা গ'ল।

এই বিশ্লেষণত ২০২৪ৰ লোকসভা নিৰ্বাচন আৰু ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ মাজত একে নম্বৰ আৰু একে নাম থকা ১১৮টা ভোটকেন্দ্ৰৰ তথ্য তুলনা কৰা হৈছে। এই ১১৮টা ভোটকেন্দ্ৰৰ ফলাফল তিনিটা ভাগত বিভক্ত হৈছে -

দুয়োটা নিৰ্বাচনতে বিজেপিয়েই এনডিএৰ একমাত্ৰ প্ৰাৰ্থী আছিল। আনহাতে, বিৰোধী মিত্ৰজোঁটৰ দলসমূহৰ ভিতৰত কংগ্ৰেছেই একমাত্ৰ প্ৰাৰ্থী প্ৰক্ষেপ কৰিছিল। যোৰহাটৰ দুয়োটা নিৰ্বাচনৰ প্ৰাৰ্থীৰ তালিকাত অগপ, ইউপিপিএল, বিপিএফ, এজেপি বা ৰাইজৰ দলৰ কোনো প্ৰাৰ্থীৰ নাছিল।

২০২৪ৰ লোকসভা নিৰ্বাচনত এই ৫৫টা ভোটকেন্দ্ৰত গৌৰৱ গগৈয়ে লাভ কৰিছিল মুঠ ১৯,৭৪২টা ভোট। ২০২৬ৰ বিধানসভা নিৰ্বাচনত সেই সংখ্যা কমি হয় ১৪,২৫৩টা। অৰ্থাৎ, এই ৫৫টা ভোটকেন্দ্ৰতে গগৈৰ ভোট ৫,৪৮৯টা হ্ৰাস পালে। হ্ৰাসৰ হাৰ ২৭.৮ শতাংশ।

ইয়াৰ বিপৰীতে, এই একেটা ৫৫টা ভোটকেন্দ্ৰত বিজেপিৰ ভোট ২০২৪ৰ ১৩,৭৮৬ৰ পৰা ২০২৬ত বৃদ্ধি পাই ২০,৬৩২ হ'ল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/7771